বসন্ত বিশেষ সংখ্যা

# অভ্যুদয়

দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছমহীয়া বৈদ্যুতিন আলোচনী
দ্বিতীয় বছৰ । প্ৰথম সংখ্যা । এপ্ৰিল, ২০২৪



সম্পাদিকা
কিৰণময়ী বড়া

# অভ্যুদয়

দুলীয়াজান মহাবিদ্যালয় ছাত্র একতা সভাৰ
ছমহীয়া বৈদ্যুতিন আলোচনী
**দ্বিতীয় বছৰ । প্ৰথম সংখ্যা । এপ্ৰিল, ২০২৪**

**মুখ্য উপদেষ্টা**
ড° লোক বিকাশ গগৈ

**উপদেষ্টা**
ড° হেমন্ত দাস, ড° জিতুমণি বড়া
পবিত্ৰ সোণোৱাল, ড° দয়ানন্দ নাথ, তপন দত্ত

**তত্ত্বাৱধায়ক**
ড° পপী হাজৰিকা

**প্ৰস্তাৱনা সংখ্যাৰ সম্পাদক**
বিতু বুঢ়াগোহাঁই

**সম্পাদিকা**
কিৰণময়ী বড়া

**সদস্য**
দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভা,
২০২৩-২৪ বৰ্ষৰ সমূহ সদস্য

**বেটুপাত সজ্জা**
ইণ্টাৰনেটৰ সৌজন্যত

**প্ৰকাশক**
দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভা

**প্ৰকাশ কাল**
এপ্ৰিল, ২০২৪

**ডি. টি. পি./অলংকৰণ**
কল্পদ্ৰুম প্ৰিণ্ট এণ্ড পাব্লিকেচন
দুলীয়াজান (কমলাবাৰী ৰোড)
ফোন নম্বৰ ঃ ৬০০২১৯৩৮৩৩


*(বিঃ দ্ৰঃ লেখনিত প্ৰকাশিত মতামতসমূহ লেখকৰ সম্পূৰ্ণ ব্যক্তিগত। ই কোনো কাৰণতেই সম্পাদনা সমিতি অথবা দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ আনুষ্ঠানিক মন্তব্যক প্ৰতিনিধিত্ব নকৰে। মুদ্ৰণ বিভ্ৰাটৰ বাদে অন্য তথ্যগত বিচ্যুতিৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়।)*

## সম্পাদকীয়

বিহু এক কৃষিভিত্তিক উৎসৱ। এই বিহু আমাৰ প্ৰত্যেকজন অসমীয়াৰ আবেগ। এই বিনন্দীয়া বিহু আমাৰ আনন্দৰ উৎস। ই অসমীয়াৰ স্বাভিমান। এই বিহুৱে আমাৰ অসমক অন্য ৰাজ্যৰ তুলনাত এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হৈছে। সেয়ে ই আমাৰ অসমীয়া জীৱনৰ অবিচ্ছেদ্য অংগ আৰু জাতিৰ জাতীয় সত্তা।

চ'তৰ বৰদৈচিলাক নেওচি আহে ব'হাগ বিহু। চ'তৰ শেষৰ দিনটো সমগ্ৰ অসমবাসীয়ে গৰু বিহু হিচাপে পালন কৰে। গৰু বিহুৰ বিষয়ে হয়তো বহলাই কোৱাৰ অৱকাশ নাই। আকৌ ব'হাগ মাহৰ প্ৰথমটো দিনত পালন কৰা হয় মানুহ বিহু। এনেকৈয়ে সাত দিনলৈকে এই বিহু চলি থাকে। এই সাতবিহুৰ প্ৰত্যেকৰে সুকীয়া নাম তথা পৰিচয় আৰু সুকীয়া বৈশিষ্ট্যও আছে। এনেদৰেই উলহ-মালহেৰে পালন কৰা হয় ব'হাগৰ এই সাত দিনৰ 'সাতবিহু'। আচলতে সাত দিন বুলিয়েই নহয়, ব'হাগ মাহৰ গোটেই দিনকেইটাই অসমীয়াৰ বাবে উৎসৱৰ দিন।

চ'তৰ মাহত সকলোৰে ঘৰে ঘৰে তাঁতৰ শালত খিট্-খিটনি শুনিবলৈ পোৱা যায়। যিয়ে আমাক সোঁৱৰাই দিয়ে যে, বিহুলৈ আৰু বেছিদিন নাই। বিহু আৰম্ভ হোৱাৰ লগে-লগেই সকলোৰে ঘৰে ঘৰে পিঠা-পনা তৈয়াৰ কৰা হয়। এই বিহুত সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়ে। এই বিহুতেই ইজনে-সিজনৰ মাজত থকা বিভেদবোৰ পাহৰি ইঘৰে সিঘৰলৈ যায়। গধূলি ডেকা-গাভৰুৱে গাঁৱৰ ঘৰে ঘৰে হুঁচৰি গাবলৈ যায়। গাঁৱৰ বোৱাৰী-জীয়ৰীহঁতে জেংবিহু আদিও পৰিৱেশন কৰে। এনেদৰেই ৰীতি-নীতি, পৰম্পৰা আৰু অতি আনন্দ-উৎসাহৰ মাজেৰেই পাৰ হয় ব'হাগৰ এই সুমধুৰ দিনকেইটা।

কিন্তু সময়ৰ লগে লগে যেন বিহুৰ এই ৰীতি-নীতি, পৰম্পৰা, আনন্দ-উল্লাহ ক্ৰমান্বয়ে পৰিৱৰ্তিত হৈ আহিছে। আজিকালি ইঘৰ মানুহে সিঘৰলৈ যাবলৈ টান পোৱা হ'ল। সৰুৱে ডাঙৰক সেৱা কৰিবলৈ অস্বস্তি অনুভৱ কৰে, পিঠা-পনা ঘৰৰ নহয়, বজাৰত কিনা, আজিকালি তাঁতৰ শালত খিট-খিটনি শুনিবলৈ পোৱা নাযায়, দোকানৰ জাপ ভঙা গামোচা কিনি আনি বিহুত উপহাৰ দিয়ে, হুঁচৰি আজিকালি গাঁৱৰ ঘৰে ঘৰে নহয়, গাঁৱৰ হুঁচৰি দলবোৰ চহৰৰ কিছুমান নিমন্ত্ৰিত বিশিষ্ট লোকৰ ঘৰলৈহে এক মোটা অৰিহণাৰ বিনিময়ত হুঁচৰি মাৰিবলৈ অহা দেখা যায়।

কেৱল এয়াই নহয়, লাহে লাহে গাঁৱৰ গছ তলৰ বিহু ডাঙৰ ডাঙৰ চহৰৰ বিহু সন্মিলনৰ মঞ্চলৈ আহিল। প্ৰতিযোগিতাৰ ধামখুমীয়াত বিহু যেন প্ৰতিযোগিতামুখীহে হৈছে। বিহু সন্মিলনবোৰে আজিকালি হুঁচৰি, মৌ-কুঁৱৰী, বিহু-কুঁৱৰী, বিহু ৰাণী, বিহু সম্ৰাজ্ঞী আদি খিতাপৰ বাবে প্ৰতিযোগিতা অনুষ্ঠিত কৰি সকলোৰে মনবোৰ প্ৰতিযোগিতামুখী কৰি... *(০৪ পৃষ্ঠাত)*

প্ৰবন্ধ

# ৰঙালী বিহুৰ পৰম্পৰা, লোকাচাৰ
## আৰু লোকবিশ্বাসৰ সংজ্ঞা

✍ হেম গগৈ



**লোক ঃ-**

ইংৰাজী Folk ৰ অসমীয়া অৰ্থ সাধাৰণ মানুহ। গ্ৰাম্য জীৱনৰ লগত জড়িত অতি সাধাৰণ শ্ৰেণীৰ মানুহ যাক লোক, জন, গণ, বা অশিক্ষিত সহজ সৰল শ্ৰেণীৰ মানুহ বুলিব পাৰি। এই লোক শব্দৰ লগত বিশ্বাস শব্দ সংযোগ হৈ লোক বিশ্বাস হৈছে। গতিকে ক'ব পাৰি যে অতীততে সাধাৰণ মানুহৰ মনত স্বাভাৱিক ভাৱে সৃষ্টি হোৱা কিছুমান বিশ্বাস। যাক বৰ্তমান কালত লোক বিশ্বাস বোলা হয়।

**লোকাচাৰ ঃ-**

লোক + আচাৰ= লোকাচাৰ। আচাৰ শব্দৰ অৰ্থ ৰীতি-নীতি, নিয়ম আদি। অৰ্থাৎ সাধাৰণ শ্ৰেণী মানুহৰ ৰীতি, নীতি, নিয়ম আদি। অৰ্থাৎ সাধাৰণ শ্ৰেণীৰ মানুহে অতীতৰে পৰা পৰম্পৰাগতভাৱে পালন কৰি অহা কিছুমান ৰীতি-নীতি, নিয়ম আদিকে লোকাচাৰ বোলে।

বুজাত সহজ হ'বৰ কাৰণে আমি এনেকৈ ক'ব পাৰোঁ যে সুদূৰ অতীততে মানুহে কিবা কাম কাজৰ সমাধান সূত্ৰ বিচাৰি কাল্পনিক চিন্তাৰ মাধ্যমেৰে কৰা ৰীতি-নীতিৰ অৱশেষ বদ্ধমূলভাৱে সমাজত ৰৈ গৈছে। আৰু এইবিলাকেই পিছৰ প্ৰজন্মৰ কাৰণে লোকবিশ্বাস আৰু লোকাচাৰত পৰিণত হৈ মজ্জাগতভাৱে এৰিব নোৱাৰা হৈ পৰিছে।

১) ব'হাগ বিহুৰ লগত জড়িত লোকবিশ্বাস লোকপৰম্পৰা ঃ-

ব'হাগ বিহু হৈছে কৃষি শস্য উৎপাদন বৃদ্ধিৰ লগত জড়িত এক উৰ্বৰা কৃষ্টি আৰু বহাগ বিহুৰ সৈতে জড়িত ভালেমান লোকাচাৰ আৰু লোক বিশ্বাস। এইবিলাক অতীতৰ পৰা পৰম্পৰাগতভাৱে আমাৰ সমাজত প্ৰচলন হৈ আছে।

**গৰুবিহু ঃ-**

গৰু বিহুৰ আগদিনাখন উৰুকা বোলে। উৰুকাৰ দিনাখন গৰু গা ধুওৱাৰ লাউ, বেঙেনা, কেৰেলা, ঠেকেৰা, মাটিমাহ, হালধি আৰু মাখিয়তী যুগুতাই লোৱা হয়। এই সকলোখিনিয়েই শস্য মাতৃ অৰ্থাৎ প্ৰকৃতিৰ সৃষ্টি। লাউ, বেঙেনা, কেৰেলা, ঠেকেৰা সী লবৰ বাবে দুডলীয়া আৰু তিনিডলীয়া বাহঁৰ ছাত (চাক) মাৰি সজা হয়। লাও, বেঙেনা, কেৰেলা, ঠেকেৰা আৰু কেঁচা হালধিখিনি সৰু সৰুকৈ কাটি ছাত মাৰি দুডালত সী দিয়া হয়। সেই ছাত মাৰি দুডাল এখনি আগলি কলপাতত এটা তামোল-পাণেৰে সৈতে এখন ডলাত সজাই থোৱা হয়। মাটিমাহ আৰু হালধি পটাত মিহিকৈ গুড়ি কৰি লোৱা হয়।

গৰু বিহুৰ দিনাখন ৰাতিপুৱা গোহালিতে গৰু মাহ হালধিৰে (ঠাই বিশেষে) নোৱাই গোহালিৰ পৰা নৈ বা পুখুৰীৰ পাৰলৈ নিয়ে। গাওঁ বা চুবুৰীৰ সকলো গৰু একেঠাইতে গোট খোৱাৰ পিছত এজন মূৰব্বীলোকে জয় ধ্বনি দিয়াৰ লগে লগে সকলোৱে একেলগে লাহনিৰে গৰুৰ গালৈ পানী ছটিয়াই মাহ হালধিৰে গা ধোৱাই। (**লাহনি** ঃ-লাহনিৰে পানী ছটিয়াই গা ধুওৱাৰ লগে লগে লাও খা বেঙেনা খা, কেৰেলা খা, ঠেকেৰা খা, বছৰে বাঢ়ি যা বুলি গৰুক আশীৰ্বাদ দিয়ে।)

গোহালিৰ পৰা গা ধুওৱা ঠাইলৈ নিওতে গৰুক এচাৰিৰে

কোবালে গৰুৰ সংখ্যা কমে আৰু মাখিয়তীয়ে খেদি নিলে মাখিয়তী ফুলৰ দৰে গৰুৰ সংখ্যা বাঢ়ে বুলি লোক বিশ্বাস আছে। লাউ বেঙেনা প্ৰজননৰ প্ৰতীক আনহাতে কেৰেলা তিতা আৰু ঠেকেৰা টেঙা।

গধুলিলৈ পদূলিমুখৰ পৰা চোতাল আৰু গোহালিলৈকে চাফ চফাই কৰি ধানখেৰ, তুঁহ, মাখিয়তী আৰু দীঘলতি পাত আদি জ্বলাই ধোঁৱা দিয়া হয়। ইয়াৰ ফলত মহ, ডাঁহ আদি ধ্বংস হয় আৰু অপদেৱতাই গৰুৰ অনিষ্ট কৰিব নোৱাৰে বুলি লোকবিশ্বাস আছে। গোহালিত তেল চাকি জুলাই গৰুক তৰা গছৰ নতুন পঘাৰে বন্ধা হয়। বৰা চাউলৰ তেল পিঠা খোৱালে বেমাৰ নহয় বুলিও বিশ্বাস আছে। গোহালিত তেল চাকি জলাই গৰুক তৰা গছৰ নতুন পঘাৰে বন্ধা হয়। বৰা চাউলৰ তেল পিঠা আৰু উসুৱা পিঠাও খোওৱা হয়। তৰাগাছৰ পঘাৰে বান্ধি এইদৰে পিঠা খোৱালে বেমাৰ নহয় বুলিও বিশ্বাস আছে।

**কনী যুঁজ ঃ-**

ৰাতিপুৱা গৰু গা ধোৱাই অহাৰ পিছত গা পা ধুই ল'ৰা ডেকা, বুঢ়াই কনী যুজ আৰম্ভ কৰে। গাৱঁৰ তিনিআলি চাৰিআলিৰ দুকানে পোহাৰে জুমে জুমে লগ লাগি ইজনে সিজনৰ লগত কনী যুঁজাই। কনী যুঁজ বছৰটোলৈ লাভ লোকচান আৰু জিকা হৰাৰ প্ৰতীক। ই প্ৰজননৰো প্ৰতীক।

কণীৰ প্ৰকাৰ ঃ-

একেবাৰে ঢিলা কণীক ফুচুৰি, তাতকৈ টানটোক জলসৈয়া, তাতকৈ টানটোক শিলসৈয়া আৰু কোনো যুজাৰুৱে ভাঙিব নোৱাৰা কণীক লিকতিয়া সৈয়া (সঁয়া) বোলে।

**এশ এবিধ শাক ঃ-**

অতি পূৰ্বৰে পৰা এশ এবিধ শাক বিচাৰি আনি একেলগে সিজাই খোৱাটো অসমীয়া লোকৰ এক এৰাব নোৱাৰা পৰম্পৰা। বৰ্তমানকালত এশ এবিধ শাক পাবলৈ নাই যদিও যিমান পৰা যায় সাধ্যানুসাৰে গোটোৱা হয়। এশ এবিধ শাক একেলগে সিজাই খালে বছৰটোলৈ কোনোধৰণৰ বিপদ আপদ আৰু বেমাৰ নহয় বুলি জনবিশ্বাস আছে।

ভূত প্ৰেত বা অপদেৱতাক অতীতৰে পৰা সাধাৰণ লোকবিশ্বাস কৰি আহিছে। অপদেৱতা তাতে ঘৰৰ ভিতৰত প্ৰবেশ কৰিব নোৱাৰে তাৰ কাৰণে গৰু বিহুৰ দিনাখন বিয়লি বেঁতপাত, জেতুলি পকা আৰু বগৰী গছৰ সৰু ডাল এটা ঘৰৰ দুৱাৰমুখত আঁৰি দিয়ে।

এক ব'হাগৰ দিনাখন মানুহ বিহু মানুহ বিহুৰ দিনাখন ঘৰৰ সকলোৱে গা পা ধোৱাৰ পিছত সৰুৱে ডাঙৰক সেৱা সৎকাৰ কৰাটো অসমীয়া লোকসমাজৰ এক নিদৰ্শনী এসাজ নতুন কাপোৰ পিন্ধে। ঘৰৰ শিপিনীয়ে উপহাৰ হিচাপে পৰিয়ালৰ লোকক ফুলাম গামোচা দিয়ে। আনহাতে এক ব'হাগৰ দিনাখন নিজৰ ঘৰলৈ সাতপুৰুষৰ শতুৰু আহিলেও মিত্ৰজনৰ দৰেই খোৱাই বোৱাই সেৱা শুশ্ৰুষা কৰাৰ পৰম্পৰাও আছে।

**গছ তলৰ গাভৰু বিহু বা জেং বিহু ঃ-**

"খেতি কৰিবলৈ শিকাৰ পিছত আদিম মানুহে পৃথিৱী, উদ্ভিদ আৰু নাৰীক সমগোত্ৰীয় বুলি ধাৰণা কৰিছিল। কাৰণ পৃথিৱীয়ে উদ্ভিদ, উদ্ভিদে ফুল আৰু ফল আৰু নাৰীয়ে সন্তান জন্ম দিয়ে। গতিকে নাৰীয়ে নাৰীক সন্তুষ্ট কৰিবলৈ নানান ধৰণৰ যাদু বিশ্বাসৰ আশ্ৰয় লৈছিল। নাচ গান কৰাটোও তেনে যাদু বিশ্বাসৰ অংশ আছিল। বিশ্বাস কৰিছিল নাচ গানে পৃথিৱী উৰ্বৰা কৰে আৰু শস্য উৎপাদন বঢ়াই বুলি। তেনে বিশ্বাসৰ বসবৰ্তী হৈয়ে পৃথিৱীৰ অন্যান্য দেশৰ জাতি গোষ্ঠী সমূহে যেনেকৈ পৃথিৱী উৰ্বৰা কৰি শস্য উৎপাদন বঢ়াবলৈ নাচ-গান কৰিছিল ঠিক তেনেকৈ পুৰণি কালত অসমীয়া নাৰীয়েও হাবিৰ মাজত গছৰ তলত নাচ বাগ কৰিছিল। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) হাবিৰ মাজত গছৰ তলত বিহুক ৰংঘৰৰ বাকৰিত প্ৰদৰ্শন কৰিবলৈ আনি প্ৰথমে অসমীয়া কৃষ্টিৰ মৰ্যদা প্ৰদান কৰে।

এই পৰম্পৰা বৰ্তমানকালত মঞ্চলৈ আহি প্ৰতিযোগিতাৰ ৰূপ পালে যদিও তিনিচুকীয়া জিলাৰ অন্তৰ্গত মৰাণ অধ্যুষিত বাৰেকুৰি আৰু কাকপথাৰ অঞ্চলত পূৰ্বৰ দৰেই হাবিৰ মাজত প্ৰচলন হৈ আছে। ব'হাগ মাহৰ ১ তাৰিখে মৰাণ গাভৰু সকলে দুপৰীয়া ভাত পানী খোৱাৰ পিছত গছ তলত বিহু মাৰিবলৈ যায় সাত ব'হাগত বিহু উৰুৱাই।

**হুচৰি ঃ-**

হুঁচৰি হৈছে ল'ৰা বুঢ়া ডেকাই সমুহীয়াভাৱে ঢোল, তাল, পেঁপা আদি বজাই গৃহস্থৰ চোতালে গোৱা এক মাঙ্গলিক অনুষ্ঠান। কোনো কোনো ঠাইত গৰু বিহুৰ দিনাখন আৰু কোনো কোনো ঠাইত পহিলা বহাগৰ পৰা সাতদিনলৈকে হুঁচৰি গোৱা হয়। হুঁচৰিত নাৰীৰ স্থান নাই।

বৰ্তমান কালত হুঁচৰি গোৱা পৰম্পৰা কিছু কিছু ঠাইত নাইকীয়া হৈ আহিছে যদিও উজনি অসমৰ শদিয়া, ছৈখোৱা, ডাঙৰী অঞ্চলত অতি পূৰ্বৰ দৰেই প্ৰচলন হৈ আছে। বহাগৰ বিহুত নিজৰ চোতালত হুঁচৰি দলৰ পদধূলা নপৰিলে, হুঁচৰি দলৰ আশীৰ্বাদৰ নললে বছৰটোলে অপায় অমংগল হয় বুলি এই অঞ্চল বিলাকৰ মানুহৰ লোক বিশ্বাস আছে।❐

---

*(০২ পৃষ্ঠাৰ পৰা)* ...তুলিলে। এই কৃষিভিত্তিক বিহু আজি চহৰমুখী হোৱাৰ পথত ধাৱমান। বিহু যেন এতিয়া একমাত্ৰ বিভিন্ন প্ৰতিযোগিতা আৰু বিহু সন্মিলন উদ্‌যাপন কৰাতেই মাথোঁ সীমাবদ্ধ। এনেদৰেই যদি চলি থাকে, তেন্তে এটা সময়ত অসমীয়াৰ বাপতিসাহোন এই বিহুৰ অস্তিত্বৰ ওপৰত ভাবুকি আহিব পাৰে। গতিকে সময় থাকোঁতেই যদি উপযুক্ত ব্যৱস্থা, উপযুক্ত পৰিকল্পনা হাতত লোৱা নহয়, তেতিয়া ই অসমীয়া জাতিৰ জাতীয় সত্তাৰ অৱক্ষয়ৰ কাৰণত পৰিণত হ'ব।

শেষত, এইবছৰ ছাত্ৰ একতা সভাৰ দ্বাৰা দ্বিতীয়বাৰৰ বাবে প্ৰকাশিত হোৱা এই বৈদ্যুতিন আলোচনী 'অভ্যুদয়'ৰ দীৰ্ঘায়ু কামনা কৰিলোঁ আৰু এই আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।❐



# অসমীয়াৰ আৱেগ, লোকাচাৰ আৰু জন বিশ্বাস ঃ
## ৰঙালী বিহুৰ এমুঠি ভাল লগা

✍ **দুৰ্ল্লভ সোণোৱাল**

উহ্ ব'হাগ! দেহা-সাতখন আঠখন। কি নাই এইটো মাহত! দেহ সাত পৰি যায়। অত দিনে বুকুত বিষ হৈ বাগৰি থকা ধপধপনিবোৰ কেনিবা পলাই। কিযে বিনন্দীয়া ব'হাগ। বিহুত কোনোবা ঘৰলৈ আহিব বুলি বৈ থকা ভাল লগাখিনি, কাৰোবাক যাঁচি দিয়া বিহুৱানখনি, বিহু বুলি কাৰোবালৈ উপহাৰ লোৱাৰ মুহূৰ্তখিনি, জেতুকাৰে ৰাঙলী হৈ কুলি চৰাইজনীৰ মাতত মতলীয়া হৈ পৰা সময়খিনি কি যে...বৰ্হমথুৰি, কপৌফুল বিচাৰি দিনক ৰাতি কৰা, দিগলতী, মাখিয়তী, টংলতী বিচাৰি নদীৰ পাৰত, বাৰীৰ ঢাপত ধাপলি মেলাৰ সময়খিনি...তঁৰা পঁঘা তৈয়াৰ কৰা, মাহ-হালধী পিহাৰ পৰা চাক সাঁজালৈ...ৰঙালীৰ এমুঠি কিযে ভাল লগা...।

আচলতে অসম আৰু অসমীয়া, ব'হাগ মানেই ৰঙালী। সৰুৰে পৰা বৰ্তমান সময়লৈ অসমৰ জাতীয় উৎসৱ এই বাক্যটোৰেই বিহুৰ বিষয়ে মই পঢ়া প্ৰথম বাক্য। যি আজিও নিভাঁজ। জাতীয় উৎসৱ হিচাপে আমাৰ জাতিটোৰ বিহুৰ প্ৰতি যথেষ্ট কৰণীয় আছে তাৰ বাবে বিভিন্ন প্ৰচেষ্টা অব্যাহত আছে। বিহু সম্পৰ্কে কিতাপ-আলোচনীত বহু লেখা প্ৰকাশিত হৈছে লগতে অতীতৰ বিহু আৰু এতিয়াৰ বিহু সম্পৰ্কেও চৰ্চা অব্যাহত আছে। তথাপি কোনোবা খিনিত বিহু শব্দটো আমাৰ বুকুৰ কুটুম,আৱেগৰ লগত জড়িত, ই আনন্দ-স্ফূৰ্তি আৰু সম্প্ৰীতিৰ বাহক। বিশেষকৈ ব'হাগ বা ৰঙালী বিহু মানেই আনন্দ, নাচ-গান, জীৱন-যৌৱনৰ এমুঠি ভাল লগা যেন জীৱনটো উদযাপনৰ পূৰ্ণ সুযোগ এই ৰঙে সকলো দি যায়... জড়-জীৱ বুলি কোনো কথা নাই। কেৱল মানুহৰ বাবেই এই বিহুনে...? বুলি ক'লে হয়তো আমাৰ ভুল হ'ব, প্ৰকৃতিয়েও যেন এই বিহুলৈকে বৈ থাকে ন সাজ পৰিধান, ন ৰূপৰ অপেক্ষাত... সেয়ে লঠঙা বিৰিষে সেউজীয়া হৈ ৰঙীন হয়। এইযে লেখনিটোৰ শিৰোনামত উল্লেখ কৰিছোঁ অসমীয়াৰ আৱেগ, ৰঙালীৰ এমুঠি ভাল লগা... আচলতে অসমীয়াৰ আৱেগ বেছি তথাপি আমি বাৰু বেছি আৱেগত উটি-ভাহি যাওঁ নেকি বাৰু? আৰু এই ধৰা ৰঙালীৰ এমুঠি ভাল লগা...আমি বাৰু জোখতকৈ বেছি ভাল পাই পেলাও নেকি? কোনো যেন বিতৰ্ক নকৰে কথাৰ কথাটো হে কৈছোঁ। আচলতে এই যে আমাৰ আৱেগ ভাল লগা ইয়াক বাৰু অকল আৱেগতে ৰাখিলে জানো অসম আৰু অসমীয়াৰ সংস্কৃতি জীয়াই থাকিব আৰু ভাল লগাবোৰ জানো মনতে ভাল লগাই থাকিলে হ'ব... আৱেগত আৰু ভাল লগাৰ মাজতে কথাৰ মহঙা মাৰি নিজকে এচামে বৰ মহান দেখুৱাই উটি-ভাহি যায়। এইদৰে উটি-ভাহি যোৱাতকৈ বৈজ্ঞানিক ভিত্তি সম্পৰ্কেও চিন্তা-চৰ্চা কৰা চোৱা উচিত। যদিওবা কিছু সম্ভৱ ইয়াৰ চিন্তা-চৰ্চা অব্যাহত ৰাখিছে মূলতঃ ইয়াৰ উন্নত মানদণ্ডৰ তথ্যৰ ভিত্তিত গৱেষণাৰ আৱশ্যক।

"বিহু" অসমৰ জাতীয় উৎসৱ। "বিহু" শব্দৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে বিভিন্ন জনে বিভিন্ন মত আগবঢ়ালেও এটা কথাত একমত প্ৰকাশ কৰি ক'ব পাৰি যে সংস্কৃত "বিষুৱৎ" শব্দৰ পৰা "বিহু" শব্দৰ উদ্ভৱ হৈছে। বিহু মূলতঃ ঋতুকালীন কৃষিভিত্তিক উৎসৱ।

বছৰৰ ভিন ভিন সময়ত ভিন ভিন ঋতুত অসমীয়াই তিনিটা বিহু পালন কৰে। এই তিনিটা হ'ল-ব'হাগ বিহু বা ৰঙালী বিহু, কাতি বিহু বা কঙালী বিহু আৰু মাঘ বিহু বা ভোগালী বিহু।

কৃষিৰ আৰম্ভণিতে অৰ্থাৎ চ'ত-ব'হাগ মাহত ৰঙালী বিহু, ৰোৱা ধানে ঠন ধৰি উঠাৰ সময়ত অৰ্থাৎ আহিন-কাতি মাহৰ সংক্ৰান্তিত কাতি বিহু আৰু খেতি চপাই সোণগুটিৰে ভঁৰাল উপচি পৰা সময়ত অৰ্থাৎ পুহ-মাঘৰ সংক্ৰান্তিত মাঘ বিহু পালন কৰা হয়।

ব'হাগ বিহু বা ৰঙালী বিহু তিনিওটা বিহুৰ ভিতৰত প্ৰধান। বসন্ত ঋতুত উদযাপিত এই বিহুত প্ৰকৃতিয়ে বৰণ সলায়। বসন্তৰ

আগমনত প্ৰথমজাক বৰষুণ পৰাৰ লগে লগেই বসুমতী ঋতুমতী হয়, গছ-লতিকাত কুঁহিপাত ওলায়, প্ৰকৃতি ফুলে-ফলে জাতিষ্কাৰ হৈ পৰে।

প্ৰকৃতিৰ বিনন্দীয়া ৰূপত ডেকা-গাভৰুৰ মনত প্ৰেম-প্ৰীতিৰ ভাৱ জাগি উঠে; মন কমোৱা তুলাৰ দৰে দূৰ-দিগন্তলৈ উৰা মাৰে। জনবিশ্বাসমতে ডেকা-গাভৰুৱে মুকলি পথাৰত গৈ প্ৰেম-যৌৱনৰ গীতেৰে পুৰুষ স্বৰূপ মেঘক আৰু নাচৰ গিৰিপনিৰে নাৰীস্বৰূপা প্ৰকৃতি (পৃথিৱী)ক উত্তেজিত কৰি বৰষুণৰ দ্বাৰা মিলন ঘটাই বসুমতী শস্যসম্ভৱা হোৱাৰ যি প্ৰক্ৰিয়া তাতেই ৰঙালী বিহুৰ উৎস আৰু তাৎপৰ্য নিহিত হৈ আছে। ব'হাগ বিহুৰ লগত ৰং-তামাচা, নৃত্য-গীতৰ লগতে বহুতো ৰীতি-নীতি, লোকাচাৰ আৰু জনবিশ্বাস জঞ্জতি হৈ আছে।ব'হাগ বিহু বা ৰঙালী বিহু চ'তৰ সংক্ৰান্তিৰ পৰা আৰম্ভ হৈ ব'হাগৰ ছয় দিনলৈ পালন কৰা হয়। চ'তৰ মাজমানৰ পৰাই বিহুৰ প্ৰস্তুতি চলে বাবে ইয়াক চ'তৰ বিহু নামেৰেও জনা যায়।

সাতদিনৰ বিহুৰ প্ৰত্যেকৰে সুকীয়া নাম আছে। সেয়া হৈছে— গৰু বিহু, মানুহ বিহু, গোসাঁই বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু, জীয়ৰী বা চেনেহী বিহু আৰু চৰা বিহু। এই সাতটা বিহুকে "সাতবিহু" নামে জনা যায়।

আজিকালি অৱশ্যে বিহু সাতদিনহে পালন কৰে, এনে নহয়; গাঁৱে-ভূঞে, নগৰে-চহৰে বিহু গোটেই ব'হাগ মাহ ধৰি চলি থাকে। কেতিয়াবা জেঠমাহ পৰ্যন্ত পাইগৈ। প্ৰথম কেইদিনৰ বাদে বাকী দিনবোৰত বিশেষ নিয়ম-নীতি পালন কৰা নহয়। ব'হাগ বিহুৰ প্ৰথম দিনটো অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা অসমীয়া জনজীৱনৰ কৃষিকৰ্মৰ প্ৰধান সম্বল গৰুৰ নামত উছৰ্গা কৰি "গৰু বিহু" হিচাপে পালন কৰা হয়। সেই দিনা গৰুক গো-লক্ষ্মী হিচাপে জ্ঞান কৰি পূজা-অৰ্চনা কৰা হয়। সেইদিনা ৰাতিপুৱাই গৰু-ম'হক পটাত পিহি লোৱা মাহ-হালধিৰে নোৱাই, শিঙত তেল সানি, কপালত ফোঁট দি দীঘলতি আৰু মাখিয়তীৰ ঠাৰিৰে কোবাই ওচৰৰে নৈ, বিল বা পুখুৰীলৈ নি একেলগে হৰিধ্বনি দি সমূহীয়াভাৱে গা ধুৱায় আৰু লগত "চাট" (ত্ৰিশূলাকৃতিৰ বাঁহৰ মিহি শলা)ত সী নিয়া লাউ, বেঙেনা, কেৰেলা, থেকেৰা, তিঁয়হ, হালধি (কেঁতুৰি) আদি গাঁলৈ দলিয়াই এইদৰে গোৱা হয়—

*"লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা।*
*মাৰ সৰু, বাপেৰ সৰু, তই হ'বি বৰ গৰু।।"*

এইদৰে কৰিলে গৰুৰ শ্ৰীবৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়। গা ধুওৱাৰ পিছত গৰুবোৰক পথাৰত মুকলিকৈ চৰিবলৈ এৰি দি চাটত থাকি যোৱা অৱশিষ্ট লাউ বেঙেনাৰে চাটবিলাক আনৰ লগত সলনা-সলনি কৰি ঘৰলৈ আনি ঘৰ বা গোহালিৰ চালত গুঁজি থোৱা হয় আৰু চাটত ৰৈ যোৱা বস্তু দুই এটুকুৰা চোবাই খোৱা হয়। চাটবিলাক আনৰ লগত সলনি কৰিলে অপায়-অমংগল দূৰ হয় আৰু চাটৰ বস্তু খালে বেমাৰ-আজাৰ নহয় বুলি বিশ্বাস কৰা হয়। সাধাৰণতে চাটবোৰ দুই, তিনি, চাৰি সিৰীয়াকৈ ত্ৰিশূলাকৃতিত বনোৱা হয়। জনবিশ্বাস মতে- দেৱাদিদেৱ মহাদেৱৰ সন্তুষ্টিৰ বাবে চাটৰ আকৃতি ত্ৰিশূলাকাৰ কৰা হয়। চাট বিলাক এখন চালনীত এখন আগলি কলপাত পাৰি ঢাকি নিয়া হয় আৰু এডাল পুৰণা পঘা লৈ যোৱা হয়; এই পঘা ডাল গৰু গা ধুওৱাৰ আগতে গৰুৰ তলেদি সৰকাই আনিব লাগে। তেনে কৰিলে গৰুৰ কিবা দোষ থাকিলে দোষমুক্ত হয় বুলি কৃষকসমাজে বিশ্বাস কৰে। গধূলি গৰু ঘৰলৈ ঘূৰি অহাৰ সময়ত পদূলিৰ পৰা গোহালিলৈকে খেৰ, তুঁহ, দীঘলতি, মাখিয়তী, বিহলঙনী আৰু মৰলীয়া আদি আন আন বন-শাক জ্বলাই 'যাগ' দিয়া হয়। যাগৰ ধোঁৱাই গৰু-ম'হক মহ-ডাঁহৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰাৰ উপৰিও অপদেৱতাক খেদি পঠাই বুলি সহজ-সৰল চহালোকে বিশ্বাস কৰে। ঠাই বিশেষে সাপ আদিৰ পৰা ঘৰচীয়া জীৱ-জন্তুক ৰক্ষা কৰিবলৈ সেইদিনা গোহালিৰ চাৰিওকাষে নহৰু বটা পানী ছটিওৱা হয়। গৰু গোহালিত সোমালে আদৰ-সাদৰ কৰি মাহ হালধি বটাৰে বা সেন্দূৰেৰে কপালত ফোঁট দি নিমখীয়া পিঠা খাবলৈ দিয়া হয় আৰু ডিঙিত নতুন পঘা দিয়া হয়। পঘাডাল সাধাৰণতে মৰাপাটৰ সলনি তৰাৰে তৈয়াৰ কৰা হয়। তঁৰা বেছি যোগাৰ কৰিব নোৱাৰিলে মৰাপাটৰ লগত অকণমান হ'লেও দিব লাগে। তৰাৰ পঘাত তুলসী-দুবৰি গুঁজি দিয়া হয়। এনে কৰিলে গৰুৰ বংশ বৃদ্ধি হয় বুলি বিশ্বাস কৰা হয়। তাৰপিছত মাখিয়তীৰ পাতেৰে গৰু-ম'হক বিচি দি এইদৰে গোৱা হয়— *"মাখিয়তীৰ মাখি পাত, মাখি মাৰোঁ জাত জাত।"*

এনে কৰিলে বছৰটোলৈ মহ-ডাঁহৰ পৰা হাত সাৰি থাকিব পাৰি। আমাৰ অসমীয়া সমাজত সেইদিনাৰ পৰাহে নতুন বছৰত বিচনীৰ বা লোৱা নিয়ম। আগতে ল'লে মূৰঘূৰণি হয় বুলি বিশ্বাস কৰা হয়। গৰু বিহুৰ দিনাই গধূলি কাম-বন সামৰি জীয়ৰী-বোৱাৰী সকলে হাতত জেতুকা লয়। সাধাৰণতে জেতুকা পাতৰ লগত পাণ, থেকেৰা, ডালিমৰ কোঁহ, মধুৰিআমৰ কোঁহ আদি মিহলাই পটাত পিহি মিহি কৰি দুহাতৰ তলুৱাত, নখত, ভৰিৰ আঙুলিৰ নখত,ফাঁকত ঘঁহা হয়। কোনো কোনোৱে বেছিকৈ ৰং ধৰিবৰ বাবে ৰাতিটো হাতত বান্ধি থয়। জেতুকাৰ ৰঙে মানুহৰ চৰ্মৰোগ প্ৰতিৰোধ কৰে। নাচনীয়ে বিহুত আজিকালি হাতত জেতুকা লোৱাতো অপৰিহাৰ্য। বিহুৰ বাহিৰে অন্য সময়তো জেতুকা ল'ব পাৰি। গৰু নোৱাবলৈ তৈয়াৰ কৰা মাহ-হালধিৰ অৱশিষ্ট পানী মিহলাই ঘৰৰ ভেটিৰ চাৰিওফালে ছটিয়াই দিয়া হয়। এইদৰে কৰিলে বছৰটোলৈ সাপ আদি নাহে বুলি জনবিশ্বাস আছে। গৰু বিহুৰ পাছদিনা অৰ্থাৎ ব'হাগৰ পহিলা তাৰিখে মানুহ বিহু। নামনি অসমত মানুহ বিহুৰ দিনাক "বৰ দোমাহী" বোলে। মানুহ বিহুৰ দিনা সকলোৱে গা-পা ধুই পৰিয়ালৰ সকলো একেলগ হয় আৰু সৰুৱে ডাঙৰক সেৱা কৰে আৰু ডাঙৰে সেইদৰে সৰুক আশীৰ্বাদ দিয়ে। বোৱাৰীয়ে শহুৰ-শাহুক বটাত গামোচা, চেলেং চাদৰ আৰু তামোল-পাণ দি মানধৰি সেৱা কৰে আৰু বিহুৰ জলপান আগবঢ়ায়। তেওঁলোকে আশীৰ্বাদ দিয়াৰ উপৰিও যথসাধ্য উপহাৰ আগবঢ়ায়।

বিহুত আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ মাজত আদান-প্ৰদান কৰা প্ৰতিটো উপহাৰকে "বিহুৱান" বোলা হয় যদিও বিহুৱান বুলিলে ঘাইকৈ গামোচাখনকে বুজায়।

আমাৰ অসমীয়া সমাজত গামোচাখনৰ আদৰ আটাইতকৈ বেছি আৰু ইয়াৰ এক সুকীয়া মান-মৰ্য্যাদা আছে। "অতিকৈ চেনেহৰ ব'হাগৰ বিহুটি" অহাৰ আগতেই অৰ্থাৎ চ'তৰ পৰাই অসমীয়া জীয়ৰী-বোৱাৰীৰ "মৰমৰ দীঘেদি চেনেহৰ বাণীৰে" চেনেহৰ বিহুৱানখনি বৈ কাটি উলিয়াবলৈ গাত তৎ নাইকিয়া হয়। কিয়নো বিহুৰ পিছত ব'বলৈ থকা কাপোৰ বা বিহুৱান "বিহুচেৰা" বুলি আখ্যা দিয়া হয় আৰু এই বস্ত্ৰ কোনো পুৰুষক দিব নাপায় বুলি বিশ্বাস কৰা হয়। অসমীয়া সমাজত ব'ব কাটিব নজনা তিৰোতাক অকাজী বা থুপৰী বুলি উপহাস কৰা দেখা যায়। বছৰৰ প্ৰথম দিনটোতে ব্ৰাহ্মণ দৈবজ্ঞৰ ওচৰত কৰ্মফল গণনা কৰি কিবা দোষ থাকিলে শান্তিৰ ব্যৱস্থা কৰা হয়। পহিলা ব'হাগৰ পৰাই অসমীয়া নতুন বছৰ আৰম্ভ হয়। নতুন বছৰটো যাতে কোনো বিপদ-বিঘিনি নোহোৱাকৈ ধুমুহা-বৰষুণ, ব্ৰজপাত আদিৰ পৰা ৰক্ষা পৰি সুকলমে শান্তিৰে কটাব পাৰি তাৰ বাবে নতুন বছৰটোৰ প্ৰথম দিনাই দৈৱজ্ঞৰ হতুৱাই নাহৰ পাতত তলৰ মন্ত্ৰটি (শ্লোকটি) লেখি দুৱাৰ মুখত বা ঘৰৰ ছালৰ পানীপচাত বা মূধচত গুঁজি থোৱাৰ নিয়ম—

*"দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ*
*বাত বৃষ্টি হৰং দেৱ মহাদেৱ নমস্তুতে।।"*

গৰু বিহু আৰু মানুহ বিহু দুয়ো দিনাই গা-পা ধুই সৰুৱে ডাঙৰক সেৱা কৰা আৰু ডাঙৰে সৰুক আশীৰ্বাদ দিয়া এটা সুন্দৰ পৰম্পৰা। বিহু গীতত কৈছে—

*"চ'ততে চকৰি ব'হাগত বগৰী*
*জেঠতে আমনা ধান,*
*গৰু বিহুৰ দিনা আশীৰ্বাদ ল'লেহে*
*বৈকুণ্ঠত পাবাগৈ স্থান।"*

বিহু কেইদিনত ইজনে সিজনক সেৱা-সৎকাৰ কৰা, মৰম চেনেহৰ আদান প্ৰদান কৰা, বন্ধু- বান্ধৱ আলহী-অতিথি আহিলে সোধ-পোচ কৰা, চিৰা-পিঠা, দৈ আদিৰে আপ্যায়ন কৰা আমাৰ সমাজত পৰম্পৰাগতভাৱে চলি আহিছে ।সাধৰণতে গৰু বিহু বা মানুহ বিহু দুয়ো দিনতে দুপৰীয়া গৰম ভাত বনোৱা নহয়। জলপানেৰে চলাই দিয়া হয় নাইবা আগ দিনাৰ পঁইতা ভাতহে খোৱা হয়।

এইদৰে পঁইতা ভাত খাওঁতে বিচনীৰ বা ল'লে বছৰটোলৈ দেহা জুৰ পৰি থাকে বুলি জনবিশ্বাস আছে।

গৰু বিহুৰ দিনাই ৰাতিলৈ এশ এবিধ বন-শাক যোগাৰ কৰি আঞ্জা খোৱাৰ নিয়ম। এশ এবিধ শাকৰে তৈয়াৰী ব্যঞ্জন সকলো ৰোগৰ মহৌষধ। সেইদিনা বিহ খালেও ঔষধৰ কাম কৰে বুলি বিশ্বাস কৰা হয়। এশ এবিধ শাক যোগাৰ কৰিব নোৱাৰিলেও সাতবিধেৰে কাম চলোৱা হয়; ইয়াকে 'সাতশাকী' বোলে।

ৰঙালী বিহুৰ এইবিলাক ৰীতি-নীতি, পৰম্পৰাৰ উপৰিও এটি উল্লেখযোগ্য অনুষ্ঠান হ'ল হুঁচৰি। হুঁচৰি হ'ল আনন্দৰ গীত আৰু নাচৰ অনুষ্ঠান। ইয়াত গাভৰু বা মহিলাৰ স্থান নাই।

সাধাৰণতে ল'ৰা-ডেকা-বুঢ়া সকলো মিলি হুঁচৰি দল গঠন কৰি ঘৰে ঘৰে গৈ ঢোল, তাল, পেঁপা, গগনা, টকা আদি বাদ্য বজাই ঘোষা-পদ,বিহুনাম গাই বিহুনাচ নাচে। এয়ে হুঁচৰি।

হুঁচৰিয়োৱাত এজন মুখিয়াল মানুহ থাকে। তেওঁক 'বাৰিক' বোলে। সাধৰণতে গৰু বিহুৰ দিনা ৰাতিৰ পৰাই হুঁচৰি গোৱা আৰম্ভ হয়। প্ৰথমে গাঁৱৰ ৰাইজ নামঘৰত গোট খাই তামোল-পাণ আগবঢ়াই হৰিধ্বনি দি ঘোষাপদ জোৰে। তাৰপিছত প্ৰথমে গাঁৱৰ গাঁওবুঢ়া বা মুখিয়াল মানুহ ঘৰতে হুঁচৰি আৰম্ভ কৰে। ইয়াকে "হুঁচৰিৰ ঘেতা" মৰা বোলে। বছৰেকৰ মূৰত হুঁচৰিয়োৱা আহিলে গৃহস্থই তামোল-পাণৰ শৰাই দি পদূলিৰ পৰাই আগবঢ়াই নিয়াৰ নিয়ম। ৰাইজৰ পদধূলা চোতালত পৰিলে গৃহস্থই ধন্য মানে। হুঁচৰি গোৱা ৰাইজে গৃহস্থৰ চোতালত প্ৰবেশ কৰি এইদৰে গৃহস্থৰ কুশল কামনা কৰি গায়—

*"গোহালিত গৰু- হৈছে*
*পুখুৰীত মাছ- হৈছে*
*বাৰীত তামোল-পাণ- হৈছে*
*গৃহস্থৰ কুশলৰ অৰ্থে- হৰিবোল"*

এইদৰে জয়ধ্বনি দি চোতালত ঘূৰি ঘূৰি নিৰ্দিষ্ট লয়ত (বিলম্বিত, মধ্য আৰু দ্ৰুত) ঢোল-তাল বজাই ঘোষা পদ গায়। তাৰপিছত "লহৰী" (হাতত ধৰাধৰিকৈ ঘূৰিঘূৰি কৰি খেলা এটা আনন্দৰ অনুষ্ঠান) খেলে। ইয়াৰ পিছত গৃহস্থৰ অনুমতি সাপেক্ষে প্ৰথমে যোজনা, তাৰপিছত ঢোল, তাল, গগনা, পেঁপা, আদি বজাই আৰু বিহুনাম গাই নাচি-বাগি ৰং-তামাচা কৰে আৰু গৃহস্থইও তামোল-পাণ, গামোচা, চেলেং আৰু যথাসাধ্য অৰিহণা আগবঢ়াই ৰাইজৰ আগত আঁঠুলৈ আশীৰ্বাদ গ্ৰহণ কৰে।

ৰাইজেও হিয়া উজাৰি আশীৰ্বাদ দিয়ে। হুঁচৰিৰ বিভিন্ন ধৰণৰ আশীৰ্বাদৰ উপৰিও ৰাইজে গায়—

*"এটা বাটিত নহৰু, এটা বাটিত পনৰু এটা বাতিত খুতৰা শাক*
*মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ গৃহস্থ কুশলে থাক।"*

এইদৰে ৰাইজে গৃহস্থৰ ঘৰৰ পৰা বিদায় লয়। মুকলি বিহু-হুঁচৰিৰ উপৰিও ৰঙালী বিহুৰ আন এটি বিশেষ অনুষঠান হ'ল "মুকলি বিহু" বা "বিহুনাচ"। ইয়াত সাধাৰণতে ডেকা-গাভৰুৱে ভাগ লয়। ইয়াত ঢোল-তাল, পেঁপা, গগনা, সুতুলি, বাঁহী আদি বিভিন্ন বাদ্যযন্ত্ৰৰ উপৰিও বিহুনামৰ পয়োভৰ মন কৰিব লগীয়া।

ডেকা-গাভৰুৰ মাজত নামৰ কটা-কটি চলে। এইবোৰ যৌৱনৰ গীত, পীৰিতিৰ গীত; কিছুমান যৌনগন্ধী। হ'লেও এইবোৰত নিৰ্মোহ ধেমালি ফুটি উঠিছে। বিহুগীত বা বিহুনামবোৰ অনাখৰী চহা কবিৰ দ্বাৰা ৰচিত আৰু এইবোৰ মৌখিকভাৱে যুগে যুগে চলি আহিছে; কিছুমান একেসুৰ আৰু ঠাচতে নতুনকৈ ৰচিত হ'ব ধৰিছে। অৱশ্যে পৰিৱৰ্তনৰ ঢৌত আগৰ নাম আৰু এতিয়াৰ

নামৰ মাজত যথেষ্ট পাৰ্থক্য দেখা যায়।

ব'হাগ বিহু ৰং ধেমালিৰ উৎসৱ। হুঁচৰি, বিহুনাচ আৰু বিহুনামৰ উপৰিও ব'হাগ বিহুত নানান খেল ধেমালি কৰা দেখা যায়। তাৰ ভিতৰত কণীযুঁজ আৰু কড়িখেল উল্লেখযোগ্য।

এই দুয়োবিধ খেলেই প্ৰজননৰ প্ৰতীক। বছৰৰ আৰম্ভণিতে খেলা কড়িফুটা মানে ধৰণী সোণালী শইচেৰে নদন-বদন হোৱা আৰু নুফুটা মানেই অনাবৃষ্টি, অতিবৃষ্টি, বন্যা আদিয়ে আগুৰি ধৰা। কড়িখেলত জিকিলে অবিবাহিতজনৰ বিবাহৰ যোগ মিলে বুলি বিশ্বাস কৰা হয়। আহোম স্বৰ্গদেউ সকলৰ দিনতে এইদুবিধ খেলৰ উপৰিও শেনখেল, ম'হযুঁজ, মাল-যুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ আদি খেলবোৰে জনপ্ৰিয়তা লাভ কৰি ৰজাঘৰীয়া সন্মান আৰু পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হৈছিল।

ৰংঘৰৰ বাকৰিত এই খেলবোৰ অনুষ্ঠিত হৈছিল আৰু এইবিলাকৰ প্ৰতিযোগিতাও হৈছিল; লগতে ঢুলীয়া-নাচনীৰো প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল।

ব'হাগ বিহুৰ তৃতীয় দিনা গোঁসাই বিহু। সেইদিনা গাঁৱৰ ৰাজহুৱা নামঘৰত সমূহীয়া নাম-প্ৰসংগ হয়। পুৰণি বাদ-বিবাদ থকিলে তামোল-পাণ শৰাই দি একৰা-একৰি দণ্ড খৰচা লৈ ৰাইজে মিট-মাট কৰি দিয়ে। অসমীয়া জন-জীৱনৰ এবিধ আদৰৰ সম্পদ হ'ল "তাঁতশাল"। সেয়ে বিহুৰ চতুৰ্থ দিনা "তাঁতৰ বিহু"।

পঞ্চম দিনা চহালোকৰ কৃষিকৰ্মৰ মূল সঁজুলি "নাঙলৰ বিহু"। ষষ্ঠ দিনা বিয়া দিয়া জীয়াৰী পিতৃগৃহলৈ আহে, সেয়ে সেইদিনা "জীয়ৰী বিহু" বা "চেনেহী বিহু"। শেষৰ দিনা "চেৰা বিহু"। এয়ে ব'হাগৰ 'সাত বিহু'।

চেৰা বিহুৰ পাছত সাধৰণতে সাত দিনত বা এঘাৰ দিনত বিহু সামৰণি মৰা হয়। অবশ্যে কিছুমান ডাঙৰ গাঁৱত বেছিঘৰ মানুহ থাকিলে হুঁচৰি সামৰোঁতে দিন লাগে। যেইকি নহওক বিহু সামৰা দিনা ৰাইজে একত্ৰিত হৈ প্ৰথমে গাঁৱৰ নামঘৰত তামোল-পাণ দি সেৱা জনাই ঘোষা-পদ জুৰি গাঁৱৰ পৰা কিছু নিলগত থকা বৰগছ বা জৰি গছৰ তললৈ গৈ গছজোপাত এখন গামোচা বান্ধি সেৱা জনাই গছজোপাৰ চাৰিওফালে ঘূৰি ঘূৰি ঘোষা-পদ গায় আৰু একেবাৰে শেষত গায় এনেকৈ—

*"হুৰাই ল ধান-খেৰৰ ছাই*
*অতি চেনেহৰ ৰঙালী বিহুটি*
*হাততে মলঙি যায়।"*

আৰু কেতিয়াবা গায়—

*"বিহুটি নামেৰে তিনিটি আখৰে*
*কোনে কাটি গ'লৈ শিলত*
*ঘুণেও নধৰে মামৰেও নধৰে*
*থাকিব আমাৰে প্ৰাণত।"*

এইদৰে গাই গছৰ গুৰিতে ঢোলৰ মাৰি বা টকা এটা এৰি থৈ বা ভাঙি থৈ ঘৰলৈ উভতি আহে। এইদৰে বিহু সামৰা বা বিহু উৰুওৱা হয়। বিহু সামৰি উভতি আহোঁতে সাধৰণতে পিছলৈ উভতি চাব নাপায় বুলি বিশ্বাস কৰা হয়। বিহু অসমীয়া জাতিৰ বাপতিসাহোন। এই বিহু সমন্বয়ৰ প্ৰতীক। বিহুৰ লগত জড়িত "বিহু নাম' বা "বিহুগীত"বোৰ অসমীয়া লোক-সাহিত্যৰ অমূল্য সম্পদ।

এই বিহু গীতবোৰৰ জৰিয়তে সুজলা-সুফলা আই অসমীৰ অপৰূপ প্ৰকৃতিৰ মনোৰম ছবি, অসমীয়া জন-জীৱনৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, প্ৰেম-প্ৰীতি, হৃদয়ৰ বতৰা, কৃষ্টি-সংস্কৃতি, ৰূপ-ৰস-গন্ধ সকলো সুন্দৰভাবে ফুটি উঠিছে আৰু পৰম্পৰাগতভাৱে যুগ যুগ ধৰি চলি আহিছে। কিন্তু বৰ্তমানে পৰিৱৰ্তনৰ ধামখুমীয়াত পৰি বিহুৰ বহুতো ৰীতি-নীতি, লোকাচাৰ লুপ্তপ্ৰায় হৈ আহিছে; আনকি নগৰমুখী বিহুৱে বিহুৰ প্ৰকৃত ৰূপ হেৰুৱাই পেলাইছে। কেৱল মাথোঁ টকাৰ খেলৰ মাজত আৱদ্ধ হৈ পৰিছে যত কেৱল প্ৰতিযোগিতা মাথোঁ প্ৰতিযোগিতা। আধুনিক হ'ব লাগে কিন্তু অতীতৰ গৰিমাক মৰ্যদা প্ৰদান কৰি।

আগৰ গছতলৰ আৰু চোতালৰ বিহু আহি মঞ্চ পালেহি। লগে লগে বিহুত মান্যজনক সেৱা সৎকাৰ কৰা, শিপিনীয়ে নিজহাতে বোৱা বিহুৱান দিয়া, ঢেঁকীত চিৰা-সান্দহ খুন্দা নিয়মবোৰ লাহে লাহে নাইকিয়া হৈ আহিছে। যান্ত্ৰিকতাই গ্ৰাহ কৰি পেলালে সকলো আৰম্ভ হৈ পৰিল সকলোতে কৃত্ৰিমতা মাথোঁ কৃত্ৰিমতা।

বৰ্তমান সময়ৰ পৰিবৰ্তনত বিহুও সলনি হ'লেও বসন্ত আহিলে ব'হাগ আহে; ব'হাগ থাকে মানে বিহু থাকিব। বসন্তৰ পৰশত প্ৰকৃতিয়ে ন-ৰূপ গ্ৰহণ কৰিবই; কুলি-কেতেকীৰ সুমধুৰ সুৰত, তগৰফুল, কেতেকীফুল, কপৌফুল ফুলিলে বিহুৰ বতৰা পাই আজিও ডেকা-গাভৰুৰ দেহা সাতখন-আঠখন কৰে, মন পুলকিত হয়। সেয়ে বিহু গীতৰ সুৰতে ক'ব পাৰি—

*"বিহু আনন্দীয়া বিহু বিনন্দীয়া*
*বিহুটি অসমৰ প্ৰাণ;*
*এনুৱা বিহুটি এৰিব লাগিলে*
*নাথাকে অসমৰ মান।"*

শেষত বিহুৰ বিষয়ে কোনো গৱেষণামূলক কথা জনাটো আৱশ্যক তথা অতিকৈ দৰকাৰী। মনৰ দুই এটা অনুভৱ ব্যক্ত কৰিবই লাগিব কাৰণ আমি অধম তেনেই জ্ঞান শূন্য বিহু বিষয়ক বিশেষ একো নাজানো। দৰাচলতে মোৰ মনত এটা দুখ থাকি যাব যদি ব্যক্ত নকৰোঁ আচলতে মই গাঁৱৰ পৰিৱেশত জন্ম গ্ৰহণ কৰিছোঁ যাৰবাবে বহুতো বিহু বিষয়ক নীতি-নিয়ম কিবা-কিবি দেখি আহিছোঁ। বিহুৰ কেইদিন অন্ততঃ গাঁৱৰ পৰিৱেশত থাকি সঁচাই এক স্বৰ্গীয় অনুভৱে চুই যায় মন-প্ৰাণ। মুক্ত মনেৰে দৌৰি যাবলৈ মন যায় পথাৰ অথবা নদীৰ পাৰত থকা এজাৰ জুপি কাষলৈ, কঁকাল ভাঙি এপাক নাচিবলৈ মন যায়, ঢোলৰ চাপৰ, গাবলৈ মন যায়—

*"এজাৰো ফুলিল নিচনী ঐ উদং পথাৰৰ কিনাৰত*
*মন ওৰনীয়া নাচনী ঐ যৌৱনৰ ভৰ দুপৰত...।"*

সেই যে বিহুৱানখন পাবলৈ মন যায়....গাঁৱৰ নিভাঁজ যেন লগা, সৰলতাখিনিক চুই চাবৰ মন যায় মন-প্ৰাণে। মুঠতে বিহুৰ আৱেগত বাস্ততাপূৰ্ণ জীৱনৰ কেইটামান মুহূৰ্ত বিলীন হ'বলৈ মন যায় ন-বসন্ত হৈ.... গভীৰ পৰা গভীৰতালৈ।❐

# পৰিৱৰ্তিত সমাজ আৰু ৰঙালী বিহুৰ ৰং-ৰহইচ

✍ **দিপশিখা ৰাজকোঁৱৰ**
চতুৰ্থ যাণ্মাসিক,অসমীয়া বিভাগ

অসমীয়া লোকসমাজৰ মাজত প্ৰচলিত লোকবিশ্বাসৰ ফলতেই সৃষ্টি হৈছিল বিহু। বিহু হৈছে লোক অনুষ্ঠান। বিহু কৃষিভিত্তিক উৎসৱ। বিহু লোকসমাজৰ আদৰ, পৰম্পৰা ইত্যাদিৰ ফলতেই সৃষ্টি হৈছিল। অতীজত বহুতো জনগোষ্ঠীৰ অসমলৈ আগমন হৈছিল আৰু তাৰে এটি জনগোষ্ঠী আছিল অষ্ট্ৰিকসকল। অষ্ট্ৰিকসকলৰ আগমণৰ পিছৰে পৰাই বিহুৰ উৎপত্তি হৈছিল। অষ্ট্ৰিকসকলৰ পিছত অসমলৈ অহা মংগোলীয়, আৰ্যসকল,আহোমসকলৰ বিভিন্ন সাংস্কৃতিক প্ৰভাৱৰ ফলত বিহুৰ পৰিবৰ্তন হ'ল। বুৰঞ্জীবিদ ড° লীলা গগৈৰ মতে, “মানুহৰ কৃষ্টি সভ্যতাৰ বুৰঞ্জীয়ে বিহুৰো বুৰঞ্জী” ।

বিহুৰ উৎপত্তি প্ৰাচীন কালৰ ‘বিচু’ৰ পৰা হৈছিল বুলি জনা যায়। বৰ্তমানৰ বিহুৰ সৃষ্টি হৈছিল উজনি অসমত। হলিৰাম ঢেকিয়াল ফুকনে লিখিছে, “বিহু কামৰূপে নাই, সৌমাৰে (উজনি অসম) অধিক”। বড়োসকলৰ বৈচাগু, ডিমাছাসকলৰ বুচু, ত্ৰিপুৰিসকলৰ বিজু বা তিৱাসকলৰ পিচু দৰে উজনি অসমৰ বড়ো মূলীয় জনজাতি চুতীয়া, দেউৰী, মৰাণ, সোণোৱালসকলে বিহু/ বিচু উদ্‌যাপন কৰি আহিছে। পূৰ্বতে চুতীয়া ৰাজ্যৰ দিনত এই বিহু প্ৰধান উৎসৱ হিচাপে গঢ়ি উঠিছিল।



আগৰ দিনত চ'ত মাহত মানুহে ৰাতি বিহু উদ্‌যাপন কৰিছিল। এই বিহু গাঁৱৰ পথাৰত চাকি জ্বলাই বা দেউৰী পূজাৰী ঘৰৰ চোতালত নাচি উদ্‌যাপন কৰা হৈছিল। চ'তৰ বিহুৰ অন্তত ব'হাগৰ প্ৰথম বুধবাৰৰ দিনা গোসাঁই ঘৰত পূজা আৰম্ভ কৰা হৈছিল। পুৱাৰ ভাগত গৰু গা ধুৱাই গৰু বিহু পালন কৰা হৈছিল যিটো নিয়ম আজিও একে আগৰ দৰে পালন কৰা হয়। এই প্ৰথা বড়োসকলৰ বৈচাগু উৎসৱতো কৰা হয়। কণী যুঁজ, কুকুৰা যুঁজ আদিয়ে ৰং-ধেমালিৰ আয়োজন কৰে। সেইদিনা আবেলি বিহু গাই গাই থানঘৰৰ চোতাললৈ বিহু লৈ যোৱা হৈছিল আৰু কেঁচাই-খাতি (কলিমতী) দেৱীকে ধৰি চাৰি শাল গোসানীক স্বৰ্গৰ পৰা পৃথিৱীলৈ বিহুৰ আশীৰ্বাদ দিবলৈ নমাই অনা হৈছিল। এইয়াই “বিহু নমাই অনা।” কিছু প্ৰচলিত বিহু নামত আজিও কলিমতী (কেঁচাই-খাতি)ৰ আগমনৰ কথা উল্লেখ কৰা হয়। তেনে এক বিহু নাম হৈছে—

*“কলিমতী এ বাই ঘূৰি ব'হাগলৈ*
*আহিবি নে নাই?*
*আমি থাকিম আমি থাকিম*
*বাটলৈ চাই।”*

ব'হাগৰ বতৰত নাহৰ,তগৰ,পলাশ,মদাৰ আদি ফুলৰ সৌন্দৰ্য্যই প্ৰকৃতিক যৌৱনা কৰি তোলাৰ লগতে মানুহৰ মনো ৰঙীন কৰি তোলে। অসমীয়া নতুন বছৰৰ আৰম্ভণি ব'হাগতেই হয়। এই সময়তে কৃষকে ন-উদ্যমেৰে কৃষি কৰিবলৈ ককালত টঙালি বান্ধে।

ব্যস্ত জীৱনৰ পৰা অকণমান সময় নিজৰ বাবেও ৰাখিবলৈ ৰং-ৰহইচ কৰিছিল ব'হাগত। প্ৰথম অৱস্থাত বিহুৰ উৎপত্তি কৃষি প্ৰধান সমাজত হ'লেও পৰৱৰ্তী বহু কাললৈ পথাৰত, আঁহত গছৰ তলত বা আন ডাঙৰ গছৰ তলত বিহু নৃত্য হৈছিল।

অসমীয়াৰ আৱেগ, প্ৰাণ আৰু ঐতিহ্যৰ পৰিচয় দিয়া বিহু অতীজৰে পৰা পালন কৰি অহা হৈছে। বিহু মানে হৈছে আনন্দ-উলাহ, মৰম- চেনেহ, ভাতৃত্ব-বন্ধুত্ব, এই সকলোবোৰ আমি অসমীয়া সমাজলৈ লক্ষ্য কৰিলেই দেখা পাম।

আহোম ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰাজ পৃষ্ঠপোষকতাত অষ্টাদশ শতিকাৰ আৰম্ভণিতে ৰংঘৰৰ বাকৰিত অসমৰ সকলো জাতি জনগোষ্ঠীক সাঙুৰি একতা সম্প্ৰীতিৰ দোলেৰে বান্ধি ব'হাগ বিহুটিক চহা জীৱনৰ পৰা সামাজিক মৰ্যাদা প্ৰদান কৰিছিল। ৰংঘৰৰ বাকৰিৰ পৰা পৰবৰ্তী সময়ত ১৯৫১ চনত গুৱাহাটীৰ লতাশিল বিহু মঞ্চত লোক-নৃত্যবিধে মঞ্চত থিতাপি ল'লে। তেতিয়াৰ পৰা বৰ্তমান সময়লৈকে মুকলি বিহুৰ তুলনাত মঞ্চ বিহুৰ প্ৰাদুৰ্ভাৱ বহুত বেছি।

বৰ্তমান প্ৰেক্ষাপটত পৰিৱৰ্তিত সময়ৰ লগে লগে সভ্যতা-সংস্কৃতিলৈও নামি আহিছে অভাৱনীয় পৰিৱৰ্তন। আধুনিকতাৰ পৰশে সকলো যেন লাহে লাহে সলনি কৰিছে। জ্যেষ্ঠসকলক সন্মান কৰাৰ পৰম্পৰা, থলুৱা জা-জলপান, পিঠা-

পনা প্ৰস্তুত কৰাৰ হাবিয়াস, অতিথিপৰায়ণতা, মৰম-চেনেহৰ বিনিময় তথা শান্তি-সম্প্ৰীতি, ভ্ৰাতৃত্ববোধৰ মূল্যবোধ যেন এই সকলোবোৰ হেৰাই যাবলৈ ধৰিছে। এনেবোৰ কাৰণতে বিহুৰ প্ৰকৃত মাদকতা আৰু স্বকীয় বৈশিষ্ট্যতো কৃত্ৰিমতা আহি পৰিছে। বিহুত অতিকৈ আৱশ্যকীয় দীঘলতী, মাখিয়তী, তৰাগছ, থেকেৰা, বৰবেঙেনাকে আদি কৰি সামগ্ৰীসমূহ কিছু বছৰ আগলৈকে গাঁৱে গাঁৱে সহজে উপলব্ধ আছিল যদিও বৰ্তমান সময়ত বিভিন্ন কাৰণত সেইসমূহ বজাৰতহে সহজলভ্য হৈ পৰিছে। বহু ক্ষেত্ৰত দেখা যায়, বিহু এতিয়া বাণিজ্যিকীকৰণৰ দিশে ধাৱমান হৈছে। অসমীয়াৰ স্বাভিমানৰ প্ৰতীক বিহুৱানখনৰ মূল্যও কমি গৈছে। কম মূল্যত মেচিনত তৈয়াৰী গামোচা বজাৰত সহজলভ্য হৈ পৰাত থলুৱা শিপিনীৰ তাঁতশালখনৰ ব্যৱহাৰ তথা আদৰ কমি আহিবলৈ ধৰা পৰিলক্ষিত হৈছে।

আগৰ দৰে বিহুৰ মাদকতা দেখিবলৈ পোৱা নাযায়। সাম্প্ৰতিক সময়ত বিহু মঞ্চতহে দেখা পোৱা যায়। আগৰ পুৰণিকলীয়া নিয়মবোৰো হেৰাই গৈছে। যুগৰ পৰিৱৰ্তন হোৱাৰ প্ৰাগক্ষণতে অসমৰ কলা-সংস্কৃতিও নোহোৱা হৈছে। তথাপিও কিন্তু অসমৰ লোক-সংস্কৃতি, পৰম্পৰা ইত্যাদি জীয়াই ৰখাৰ দায়িত্ব আমাৰ। নহ'লে যিকণ আৱেগ জীয়াই আছে সেয়া ৰক্ষা কৰিবলৈও সমৰ্থ নহম। আমি ক'ব বিচৰা নাই যে মঞ্চ বিহু বা বিহু সন্মিলন বেয়া অনুষ্ঠান। সেই অনুষ্ঠানবোৰ পতাৰ লগতে আমি সজাগ হ'ব লাগে। যাতে অসমৰ কলা-কৃষ্টিৰ কোনোদিনে অৱমাননা নহয়

আজি যি পৰ্যায়ত বিহুয়ে গতি কৰিছে তাৰ একমাত্ৰ কাৰণ হৈছে মানুহ। পশ্চিমীয়া সংস্কৃতিৰ প্ৰভাৱ পৰিলেও যদি আমি সেয়া আদৰি নললো হেঁতেন তেতিয়া হয়তো বিহুৰ আদৰ সমাদৰ আগৰ দৰেই থাকিল হয়। বিশ্বায়নৰ যুগতো আমি যদি আমাৰ আৱেগক জাগ্ৰত কৰি নুতুলো তেন্তে আমি আমাৰ লোক সংস্কৃতি নিশ্চয়কৈ হেৰুৱাবলগীয়া হ'ব।

ভাৰতৰত্ন ড° ভূপেন হাজৰিকা দেৱে গীতৰ ভাষাৰে কৈছিল—

“ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ।”

এই শব্দবোৰৰ মৰ্মাৰ্থ বাৰু ক'ত হেৰাই গ'ল! ব'হাগৰ ৰং, অপূৰ্ব সমাহাৰ আজি ক'ত নোহোৱা হ'ল। ব'হাগৰ আগমণে সজীৱতা অনা দিনবোৰ ক'ত হেৰাই গ'ল, ব'হাগ বিহুৰ উখল-মাখল পৰিৱেশৰ পৰা আৰম্ভ কৰি সকলো নিয়ম কিয় সময়ৰ সোঁতত হেৰাই যাবলগীয়া হ'ল।

বিহুক মেলা সদৃশ কৰাতকৈ যদি বিহু উৎসৱক সদায় এনেকৈয়ে জীয়াই ৰাখিবলৈ চেষ্টা কৰে তেনে নিশ্চয়কৈ বিহু সদায় জীয়াই থাকিব, কেতিয়াও হেৰাই নাযায়। পুৰণি বিহু গীতবোৰক অনাদৰ কৰাতকৈ সেই গীতবোৰ আগৰ দৰেই আকোঁৱালি ল'ব লাগে। বৰ্তমান বিশ্বায়নৰ যুগত ব'হাগ বিহুৰ সময়তে বহুতো বিহু অনুষ্ঠান পাতি বিহুক অনাদৰ কৰিছে। বিহু হৈছে অসমৰ লোকসংস্কৃতি। যিয়ে আমাৰ জাতীয় পৰিচয় বহন কৰে। বিহুক সকলোৰে আগত পৰিচয় দিয়াটো কোনো ডাঙৰ কথা নহয়, কিন্তু আমি জানো বিহুৰ স্বকীয়তা ৰক্ষা নকৰিলে হ'ব?

চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈ থাকোঁ মানে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।”

বিহু অসমীয়াৰ জাতীয় উৎসৱ। ব'হাগৰ স্থান সমাজত সুকীয়া। অসমীয়াৰ আৱেগ ভালপোৱা ব'হাগৰ প্ৰাণ সদায় জীয়াই থাকক।❐

---

*(১৪ পৃষ্ঠাৰ পৰা)* ...এখনৰ বাহিৰত বহি বহি টোপনি গ'ল। (ঘড়ীত সময় ২.০০ বজা) দোকানী-“উঠা,উঠা।” দোকানীৰ মাতত হৰিৰ টোপনি ভাঙিল।

হৰি ঃ "Uncle, Uncle! মোৰ মাৰ বাবে নতুন মেখেলা -চাদৰ দিয়া, মোৰ বাবে নতুন চাৰ্ট-পেণ্ট দিয়া।”

হৰিৰ মনত আজি বৰ আনন্দ। দোকানৰ পৰা পোছাক কিনি হৰি ঘৰলৈ ৰাওনা হল। হৰিৰ মনত আজি সন্তুষ্টিৰ চাঁপ। ঘৰলৈ গৈ মাকক নতুন মেখেলা-চাদৰ নিজৰ হাতেৰে দি মাকৰ মুখত নতুন বস্ত্ৰ দেখি আনন্দিত হোৱা মুখখনি চাবলৈ হৰি লৰা-লৰিকৈ ঘৰলৈ যাবলৈ ধৰিছে। হৰিয়ে নিজৰ মনত, “মাক মেখেলা-চাদৰযোৰ দি মই কাইলৈ নতুন পোছাকজোৰ পিন্ধি স্কুললৈ গৈ মাছুল জমা দি আহিম।” জুৱা খেলাৰ পদূলিমুখৰ পৰা হাঁহি-হাঁহি পাৰ হৈ থকা হৰিক হঠাতে ট্ৰাক এখন আহি খুন্দা মাৰিলে। ট্ৰাকৰ খুন্দাত হৰি গভীৰভাৱে আঘাতপ্ৰাপ্ত হ'ল। লগে লগে সেইঠাইত মানুহ গোট খালে। শেষ নিশ্বাস লৈ থাকোঁতে হৰিয়ে মানুহবোৰক ক'লে, “নতুন পোছাকযোৰ মাক দি দিবা।” এই কথাষাৰেৰে হৰিয়ে নিজৰ দেহ ত্যাগ কৰিলে। ঘটনাস্থলীত পুলিচ আহি উপস্থিত হয়। তদন্ত কৰাৰ পাছত পুলিচে গম পালে যে, ট্ৰাক ড্ৰাইভাৰজন আছিল সেইদিনা হৰিৰ হাতত পৰাস্ত হোৱা জুৱাখেলৰ মানুহজন। হৰিৰ হাতত পৰাস্ত হৈ ট্ৰাক ড্ৰাইভাৰজনে সহ্য কৰিব নোৱাৰি তেওঁ আৰু তেওঁৰ বন্ধুবোৰে মিলি এই ষড়যন্ত্ৰ কৰিলে। শেষত ট্ৰাক ড্ৰাইভাৰ আৰু তেওঁৰ বন্ধুবোৰক গ্ৰেপ্তাৰ কৰা হ'ল। জুৱাখেলৰ দৰে এনেবোৰ খেল খেলি বহুতো মানুহ এনে ষড়যন্ত্ৰৰ চিকাৰ হয়। বিপদত পৰি জুৱাখেলৰ পথ বাচি লোৱা হৰিয়ো শেষত নিজৰ জীৱন ত্যাগ কৰি এনে ফল ভোগ কৰিব লগা হ'ল।

# Bihu : It's Mythical And Historical Origin And Dynamics

✍Nayanjyoti Chetia
4th Semester, Department of Chemistry

Assam with its composite culture, developed as a result of incorporation of different ethno-cultural elements from various social groups has led to make it a melting pot of different ethnic, religious and linguistic communities through a process of constant interaction over the ages in history. This composite and comprehensive culture known as Assamese Culture, embodies in its structure elements of different cultures, of which exact roots are difficult to trace. Anthropologists based on physiognomy and material culture tend to believe that this state has seen the intermixing of three racial elements, the Australoids, the Mongoloids and the Caucasoids represented through, apart from physical features the language, food, agriculture and such other traditional belief, practices and performances pertaining to various communities. Amidst this process of cross cultural communication emerged the Bihu, being a major festival cycle in the Assamese calendar within which the Rongali Bihu finds a special place because of its celebrative mood as well as joy and social gaiety. Within the cycle of the Bihu festival spread over the agricultural cycle around the year, the Rongali Bihu constitutes another cycle spread over the month of Bohag (Sanskrit Vaisak/ April-May) observed in Assam.

Bihu is the harvest festival of Assam, celebrated with fun and abundance by all assamese people irrespective of caste, creed, religion, faith and belief. Bihu festival has been inextricably linked with the agricultural people of Assam since time immemorial. The festival observed in three parts and each part synchronizes with the time of one particular stage of cultivation of paddy during an agricultural year. The tradition of the Bihu festival has been surviving the changing trends of time since inception. Despite this, the past still vibrates in various rites and rituals observed by the agricultural people in autumnal Kati Bihu, post harvesting Magh Bihu of winter solistice and springtime Bohag Bihu. The springtime Bohag Bihu is celebrated in mid April after the seeds of "Ahu" paddy are sown and before the seddling of "Sali" paddy are transplanted, the atumnal Kati Bihu is celebrated in mid October and the Magh Bihu celebrated in mid January. The relics of the springtime Bihu songs and dances, where in lies the aesthetic significance of Bihu, are now displayed in publicly organized Bihu festivals. This new tradition of the festival has assumed immense importance in recent times.It is an accomplished fact that good harvest in primitive agrarian societies depended on nature"s approval. It was, therefore natural that the primitive agricultural people had to satisfy nature for good harvest. There are many aspect which are related with the people of ancient Assam constitued the very background for a festival like Bihu. We have reasons to believe that all efforts and thinkins of the primitive people were directed towards having sufficient food for sustenance life. The pressure of severe demand for production of food ultimately gave rise to same ritual activities backed by folksy beliefs.

We know that the pre-historic Assam had been inhabited by people of diverse races. This phenomenon has rendered the origin of Bihu mysterious. However, the subject can be dealt with the help of prevailing myths and legends on the origin of Bihu and precisely with the help of the available pre-historical and historical sources. The most popular Assamese myth associated with Bihu is the myth of Bordoisila presumed to be a daughter of Assam who has been married a bridegroom. Bordoisila visits her mother"s home once a year at the advent of

springtime Bihu and she is regarded as a female spirit. The people of Assam experience strong gale at the period which marks the beginning of Bihu and another strong gale after her departure which is devasting. The Word Bordoisilaa is actually derives from the Bodo word Bordoisikhla which mean girl of Storm. Sikhla meaning girl and Bordoi meaning storm.

According to Hindu myth the Earth was born from the pores of Brahma"s hair. After the Satya, Treta and Dwapara yuga were over, the Kali yuga appeared and in this Kali yuga, musical instruments of heaven came down to the earth. Dhol was created by Mahadeva of kailasha. The hollow wooden body of dhol is preferable made from the trunk of Cham tree. Krishna gave the seed of Cham tree to Narada who sowed it in the earth. After grew up the tree Biswakarma cut down the tree and carpenter Sukmal gave the shape of Dhol. The myths and legends are popular folk tales orally transmitted from one generation to another and admittedly their character is imaginary and unrealistic. The origin of various features of Bihu found in these myths and legends are mostly based on imaginary talks rather than on historical grounds. The emotions, feelings and assumptions of the people at folk level of the Assamese socity are guided by these prevailing myths and legends which incited the people to adhere to the age old beliefsÊ, so their importances at folk level is taken for granted. We have already came across that nature, agriculture and simple beliefs of the primitive cultivators constituted the background for Bihu festival. Further close observations of various rites and rituals confirm that Bihu has been on agricultural festival since its inception in prehistorical time.

The origin of the term Bihu is unclear. Although the three Bihus constitute a sort of pattern, a ritual and a festival complex covering the annual life cycle of the peasantry, the springtime Bohag Bihu causes the largest amount of stir in the mental and social life of the people of Assam.We have also arrived at a definite conclusion that Bihu originates in the form of spring time ritual. The fact therefore remains that the term Bihu is entangled with spring season.

Regarding the origin of the term Bihu, some scholars try to astronomically associate Bihu with vernal Equinox, i.e Sanskriti Visuvan Sankranti. The day of Visuvan Sankranti falls during the spring season which the Assamese Bohag Bihu or Rangali Bihu coincides with. And on this strength, this school of thought holds the term Bihu to have been derived from Visuvan, ie. Visuvan-Visu-Bihu. Again some scholars think that the term Bihu has some non-Aryan affinities. Some views on non- Aryan sources of the term are found to be popular. The name Bihu has been derived from Boisagu of the Bodos,ie-Boisagu-Boihagu-Bihu. Moreover someone believed that the term Bihu is corrupt from the Bodo term „Bi-hou" means to beg and to give.

It has been discussed that the Bihu constitutes a festival cycle in itself observed on three occasions along the agricultural season. The rongali/Bohag Bihu or the spring time observance amidst these three is the most remarkable of these and is marked by multiplicity of celebrations by different communities in different ways constituting another cycle of observances. Each of these observances, rooted in fertility and agriculture comprises performances of various sorts and a series of rituals, community feasting, gaiety and most importantly music and dance. The rongali Bihu being related to fertility and the art of creation, was originally celebrated in the crop fields to bring fertility and a good harvest. Since the festival celebrates youthful vigour, love, eroticism, union, and separation, the youth across all communities sing and dance in gay abandon with spontaneity, unrestrained by any written norm, rule or canonical prescription that often prevails in a classical tradition of dance and music. Thus the Bihu like any other folk tradition brings to fore representations inherent in customs and such other practices and above the mentalscape of the communities through all such performances. With the changes in social environment over time there has been considerable change in the dynamics of performance in respect to rituals as well as music and dance connected with the rongali Bihu. During the whole process of the shift of this popular culture, a prolonged cultural struggle has been going on between the age old traditions and the demand of the modern amidst conflicts and contradictions of culture and class. In observing the rongali Bihu, the customary household rituals appear to have remained almost unchanged through cen-

turies. The expressive ritual practices of music and dance which were performed in forests or crop fields by youths began to find social acceptance wider in community life. The open eroticism of songs and gestures began to change and content modified to become more socially acceptable for roadside group performances, synchronising with spring-time beauty of nature, New Year and the Bihu which came to be called as husori. The husori carol singing, composed of a team of members of the village which goes along the village roads singing Vaishnavite prayers or balladic verses began to form an integral part of the rongali Bihu celebration. Performers used instruments like dhols (drums), taal (cymbals) taka (split bamboo clappers), and pepa (hornpipes). The husori tradition moved from the village roads to the royal court. The Bhakti Movement of Assam led by Srimanta Sankaradeva during the 15th – 17th centuries added impetus to this process of socialisation of Bihu music and dance by adding a Vaishnavite tinge to the texture of husori music. The discourse of representation in this respect found a shift from a spontaneous overflow of youthful emotions to social expressions of joy in celebration of nature and a desire for the well being of the community. The vibrant melody and resounding rhythm of the newly emerging form of performance, by virtue of its popular appeal, found its way to the royal court as a mode of public entertainment. The performance of Bihu dance and music thus underwent a paradigm shift paving the way to take an institutionalized form and structure. During the rule of the Ahom King Rajeshwar Singha another dimension was added to the husori performance by its placement in the Ranghar, the royal amphitheatre, as a part of the Bihu celebrations with added royal grandeur. On the Bohag Bihu day the husori singing team blesses the king and the royalty, singing some prayers and hymns. It gradually became a tradition of singing husori in the courtyards of all domestic households. Slowly and steadily it spread all over. Husori came to be sung in the courtyards of all the households in a village. Various husori teams were invited for public performance giving it the form and meaning of social entertainment and a carnival. Today in the urban areas husori singing is mostly seen as a distinct performance on the stage in a stylized form, whereas in the villages the traditional practice continues.During the British Rule Bihu dance and music was stigmatised. The observances of domestic as well as community rituals were however not subjected to such criticism. However, some elites of the state, under the strong influence of colonial rulers, criticized the Bihu festival as immoral, vivacious and of having sexual overtones.

After the British rule in India, the people of Assam, along with rest of the country, were encouraged to obtain formal education. The rural people were mostly dependent on agricultural activities for their livelihood. However, the wave of education brought under its spell the rural people of Assam, resulting in many of them gradually attaining formal education. Entering into public life through governmental services became the new vogue. This dissuaded the people from learning and practicing Bihu in its earlier mode of performing in the crop field. While the educated elites in independent India saw Bihu as a symbol of Assamese culture they looked for a platform where they could see it as an integrated phenomenon combining the discourse of tradition and heritage in a palpable form. The advents of electronic media - radio and television since second half of the 20th century have added a critical dimension to the discourse. Practising Bihu groups were invited to the newly emerging media houses, initially of All India Radio stations and then Doordarshan Kendras established in Guwahati and Dibrugarh, and invited to perform Bihu music and dance as a representation of cultural expression which in turn served as entertainment for the audience. The desire of the emerging elites who wanted to see the Bihu grow and expand on public platforms became vindicated to a certain extent through this process of media intervention. With the appearance of satellite television and the mushrooming growth of localized private television channels the Bihu has now, over recent years, been subjected to over mediatisation in the recent decades.

However, with all these changes in the material aspect of Bihu dance and music, one aspect that is constant, is the tradition of Bihu which is endures generation after generation. While it may have faced criticism from all quarters Bihu is still being celebrated every year with the same mirth and happiness.❐

গল্প

# নতুন পোছাক

✍সুভমিতা মজুমদাৰ
চতুৰ্থ যাণ্মাসিক, অৰ্থনীতি বিভাগ


হৰি এইবাৰ দশম শ্ৰেণীত। প্ৰতিবছৰৰ দৰে নতুন শ্ৰেণীত। নতুন কিতাপ পঢ়িবলৈ তাৰ মনত বৰ উৎসাহ। মুখখনিত যেন এটি খিলখিলিয়া হাঁহি। কিন্তু হঠাতে যেন সেই খিলখিলিয়া হাঁহি মুখখনিৰ পৰা নাইকীয়া হ'ল হ'ল। বিদ্যালয়ৰ সেই দুবছৰ পুৰণি ফটা-ছিঙা পোছাকজোৰ দেখি তাৰ মনত এক নীৰৱ বিষাদৰ সৃষ্টি হ'ল। পিছে উপায় নাই, সেইযোৰ পোছাক পিন্ধিয়ে হৰিয়ে বিদ্যালয়লৈ ৰাওনা হ'ল। হৰিৰ দেউতাক দুবছৰ আগতে হৰিৰ ককাকৰ সকামৰ বাবে কাশীলৈ গৈছিল ঠিকেই কিন্তু পাছলৈ তেওঁ উভতি নাহিল। প্ৰায় দুবছৰ ধৰি হৰিৰ দেউতাক নিখোজ। স্বামীৰ সৈতে বিচ্ছেদৰ ফলত হৰিৰ মাক শাৰিৰীক আৰু মানসিকভাৱে ৰোগাগ্ৰস্থ হৈ পৰিল। দেউতাক নিখোজ হোৱাৰে পৰা হৰিৰ সম্বন্ধীয় সকলেও তেওঁলোকৰ খা-খবৰ নোলোৱা হ'ল। হৰিয়ে বাৰীৰ তামোল-পাণ বিক্ৰী কৰি মাকৰ সৈতে দুবেলা-দুমুঠি খাই জীয়াই আছে। সেই সময়ছোৱাত নিজৰ আৰু মাকৰ বাবে নতুন পোছাক কিনা হৰিৰ বাবে আকাশত চাং পতা যেন কথা। হৰিয়ে সদায় বিদ্যালয়ৰ পৰা আহি বজাৰলৈ তামোল-পাণ বিক্ৰী কৰিবলৈ যায়। ৰাতি উভতি আহোঁতে গাঁৱৰ ঘৰবোৰৰ পদূলিমুখত হৰিয়ে প্ৰায় জুৱাখেলৰ আড্ডা দেখিবলৈ পায়।

এবাৰ ৰাতি হৰিয়ে সেই পথেৰে উভতি আহোঁতে সেই ঘৰবোৰৰ পদূলিমুখ যেন নিৰ্জন-নীৰৱ হৈ আছিল। হঠাৎ হৰিৰ পদূলিমুখত পাৰ্চ (টকাৰ বেগ) এটা পৰি থকা চকুত পৰিল। সেই বেগ দেখি হৰিৰ মনত নতুন পোছাক কিনিবলৈ ইচ্ছা জন্মিল। কিন্তু সেই বেগটো বুটলি ল'বলৈ হৰিৰ যেন নিজকে অপৰাধী অনুভৱ হৈছে। হৰিৰ মনত সেই বেগক লৈ চিন্তাৰ প্ৰলয়ৰ সৃষ্টি হৈছে। পিছে নতুন পোছাক পিন্ধাৰ হেঁপাহত সেই বেগ বুটলি লোৱাৰ পাছত হৰি- “মাত্ৰ ৪০০ টকা। এই টকাৰে মাৰ বাবে মেখেলা -চাদৰ এজোৰো নহয়।” হৰিয়ে সেই টকা লৈ ঘৰলৈ উভতি আহি সেই টকা মাকৰ হাতত জমা দিয়ে। এনেদৰে পেটে-ভাতে খাই দিন পাৰ কৰি থাকোঁতে হৰিৰ স্কুলত উচ্চ মাধ্যমিক পৰীক্ষাৰ বাবে মাছুল জমা দিবলৈ জাননী আহিল। হৰিয়ে তামোল-পাণ বিক্ৰীৰ পৰা পোৱা এভাগ টকা বিদ্যালয়ৰ মাছুলৰ বাবে জমা কৰিবলৈ ধৰিল যদিও শেষলৈকে পৰ্যাপ্ত টকা মাছুলৰ বাবে জমা নহ'ল। হৰিৰ মনত পৰীক্ষাত বহিব নোৱাৰাৰ ভয় সৃষ্টি হ'ল। অনেক চেষ্টাৰ পিছতো হৰিয়ে টকাৰ যোগাৰ কৰিব নোৱাৰিলে। টকাৰ চিন্তাত মগ্ন হৈ থকা হৰিক মাকে মাত লগালে -“হৰি, ঔ হৰি”।

হৰি ঃ “কি মা ?”

মা ঃ “কি হ'ল ? তোৰ টকা জমা হ'লনে ? মই দিয়া ৪০০ টকা মই জমা থৈছোঁ, লাগিলে লৈ যাবি।”

মাকৰ এই কথাষাৰ শুনি হৰিৰ পদূলিমুখৰ জুৱাখেলৰ কথা মনত পৰিল। লগে লগে হৰিয়ে ঘৰত থকা টকাবোৰ লৈ ভাল-বেয়া বিচাৰ নকৰি টকা যোগাৰ কৰিবলৈ জুৱা খেল খেলিবলৈ ৰাওনা হ'ল। টকাৰ প্ৰয়োজন হোৱা হৰিৰ কাইলৈ বিদ্যালয়ত মাছুল জমা দিয়াৰ অন্তিম দিন। ইমান প্ৰয়াসৰ পিছতো টকাৰ যোগাৰ কৰিব নোৱাৰি হৰিয়ে জুৱা খেলকেই নিজৰ অন্তিম পথ হিচাপে বাচি ল'লে। জুৱা খেলৰ ঠাইত উপস্থিত হোৱাৰ লগে-লগে হৰিক মানুহবোৰে কৈছে-“ঐ ল'ৰা! এইয়া তহঁতৰ খেল পথাৰ নহয়, ইয়াত পইচাৰ খেল হয়, যা উভতি যা।”



হৰি ঃ “মই টকা লৈ আহিছোঁ।”

জুৱাৰ বিষয়ে জ্ঞান নথকা হৰিক পৰাস্ত কৰিবলৈ বৰ বেছি সময় নালাগিব বুলি মানুহবোৰে ঠিকেই বুজিব পাৰিছিল। সেই বাবে সিহঁতে ক'লে- “আহ তেন্তে খেলিবি।”

প্ৰথম ৰাউণ্ড আৰম্ভ হ'ল। হৰিয়ে লগত লৈ অহা আধা টকা সেই ৰাওণ্ডৰ জুৱাত লগাই। চকুৰ পলকতে হৰিয়ে নিজৰ জুৱাত লগোৱা টকাবোৰ হেৰুৱায় পেলায়। দ্বিতীয় ৰাউণ্ড আৰম্ভ হ'ল। টকাৰ প্ৰয়োজনত হৰিয়ে নিজৰ ওচৰত বাকি থকা টকাবোৰ জুৱাত লগায়। এইবাৰ হৰিৰ মনত প্ৰচণ্ড ভয়। হৰিয়ে নিজৰ মনত- “হে কৃষ্ণ, এই ৰাউণ্ডত মই পৰাস্ত হ'লে চাউল কিনা টকাখিনিও হেৰুৱাবলগীয়া হ'ব। ৰক্ষা কৰা প্ৰভু, ৰক্ষা কৰা।” টকা হেৰুৱাব লগা চিন্তাত হৰিৰ মনত যেন ভয়ৰ সাগৰৰ ঢৌৱে বিশাল আকাৰৰ ৰূপ লৈছে। কিন্তু এইবাৰ যেন হৰিক ভগৱানে মুখ তুলি চালে। হৰিয়ে নিজৰ টকাৰ পাঁচ গুণ বেছি টকাৰে সেই ৰাউণ্ডত বিজয়ী হয়। হৰিৰ মনত আনন্দৰ বৰ্ষা হ'বলৈ ধৰিল। ইমান টকাৰে হৰিয়ে বিদ্যালয়ৰ মাছুল জমা দিয়াৰ উপৰিও নিজৰ আৰু মাকৰ বাবে নতুন পোছাক কিনিব পাৰিব। আনন্দত আত্মহাৰা হৰিৰ চকুৰে সুখৰ চকুপানী বৈ গৈছে কাৰণ আজি বহু বছৰৰ পিছত হৰিয়ে মাকৰ বাবে নতুন বস্ত্ৰ কিনিব। লগে লগে হৰিয়ে সেই টকাবোৰ লৈ বজাৰলৈ ৰাওনা হ'ল। (ঘড়ীত সময় দুপৰীয়া ১২.১০ বজা) গোটেই বজাৰ বন্ধ। দুপৰীয়া ২.০০ বজাতহে বজাৰৰ দোকানবোৰ খুলিব। কিন্তু হৰিয়ে মাকৰ বাবে নতুন পোছাক কিনিহে ঘৰলৈ যাব বুলি বন্ধ কাপোৰৰ দোকান... *(১০ পৃষ্ঠাত)*

# ভিক্ষাৰী

—**বিশ্বজিৎ বৰা**, প্ৰাণীবিজ্ঞান বিভাগ

বাছখন ৰখাৰ লগে লগে
খিৰিকীৰে হাত এখন ভাহি আহিল
মোৰ মুখৰ সন্মুখলৈ
কঁপা কঁপা মাতেৰে ক'লে-
"দাদা কিবা এটা দিয়ক।"

হাতখন দেখাৰ লগে লগেই
মোৰ মনলৈ এক আচহুৱা
ঘৃণা ভাৱ উপজিল
চোৰা নোচোৰা ভাৱেৰে
মোৰ চকু জুৰিয়ে

তেওঁৰ কঁপি থকা হাতখন বগাই
মুখলৈ গ'ল
ল'লৈ পুৰি গাৰ চালবোৰ
একেবাৰে ক'লা আৰু
শোতোৰা শোতোৰ কৰিছে।

শৰীৰৰ পৰা ভাহি আহিছে
এক নাকেৰে ল'ব নোৱৰা দুৰ্গন্ধ
যেন বহুদিন ধৰি
তেওঁ নিজকে পৰিস্কাৰ কৰা নাই।
গাত পিন্ধি থকা কাপোৰ সাজো
অ'ত ত'ত ফটা
সেই ফটাৰে ভাহি আহিছে
তেওঁৰ জীৱনৰ মৰ্মান্তিক কাহিনী।



কবিতা



# হ'ব পাৰিম দিয়া কলিযুগৰ উৰ্মিলা

— **ঈয়াশ্ৰী বসুমতাৰী**
চতুৰ্থ ষাণ্মাসিক,অৰ্থনীতি বিভাগ

হ'ব পাৰিম দিয়া কলিযুগৰ উৰ্মিলা
অজস্ৰ মৰম আৰু ভক্তি বুকুত বান্ধি থম
তোমাৰ নাম।

নিদ্ৰা দেৱীৰ কোলাত শুই পৰিম
চৈধ্য বছৰ, মাথোঁ তোমাৰ অপেক্ষাত
ঋতু আহিব, ঋতু যাব
সপোনত খেলিম তোমাৰ সৈতে ফাকু।

আমোলমোল ফুলেৰে সাজিব
ৰাজকাৰেঙৰ কোঠালী
সিঁচৰতি হ'ব তোমাৰ নামৰ সুগন্ধ।

চৈধ্য বছৰে সংসাৰ নেদেখিম
সন্তানৰ অভিমান বুলিব নোৱাৰিম
একো নাই দিয়া তুমি আহিবা নহয়।

তুমি যিদিনা আহিবা মোক কিন্তু জনাবলৈ নেপাহৰিবা
নহ'লে তোমালৈ মোৰ অভিমান বাঢ়িব
অযোধ্যাৰ এই প্ৰাণময় নাৰীয়ে উচুপিব।

পখালি দিম তোমাৰ সমস্ত বস্ত্ৰ
ৰান্ধিম তোমাৰ বাবে সুস্বাদু ব্যঞ্জন
বাতৰি দিম মনৰ কাৰেঙৰ
মৰম নামৰ দুৱাৰখন খুলি দিম তোমাৰ বাবে।

এটি এটি ক্ষণ হৈ পৰিম তোমাৰ
কোটি কোটি মৌনভাষা বুজাম তোমাক
নিদিওঁ মই সীতা বাইদেউৰ দৰে অগ্নিপৰীক্ষা
বিশ্বাস কৰি ল'বা এই অৰ্ধাংগিনীৰ ভক্তিক
যি কেৱল তোমাৰ উৰ্মিলা
কেৱল তোমাৰ...।

# ব'হাগ

—**মনিষা চেতিয়া,**
উচ্চতৰ মাধ্যমিক পঃ বঃ

ব'হাগ ....মাথোঁ এটি মাহ নহয়
ব'হাগ মানেই নহয় নতুন বছৰ
ব'হাগ যে আদৰৰ ...
ব'হাগ মানেই জেতুকাৰ ৰঙা বুল
ব'হাগ মানেই চেনাইলৈ বুলি সাঁচি
ৰখা বিহুৱানখন দিয়াৰ সময়

ব'হাগ.... মাথোঁ এটি মাহ নহয়


ব'হাগ মানেই মাথোঁ ভালপোৱা নহয়
নহয় বহাগ ৰঙৰ গীত
ব'হাগ মানে যে বিষাদো....
কাউৰী জনীতকৈ বেছি এই দুখ
আৰু কোনে বুজিব



ব'হাগ মাথোঁ এটি মাহ নহয়
নহয়..বসন্ত মাথোঁ এটি ঋতু
ব'হাগ মানেই চেনাইলৈ কৰা অপেক্ষাৰ এক প্ৰাপ্তি
ব'হাগ মানেই মুগা সাঁজ গাত মেৰিওৱাৰ প্ৰস্তুতি
ব'হাগ .... মাথোঁ বহাগ নহয়
ব'হাগ এক অনুভূতি....
ব'হাগ অসমৰ আৱেগ...
ব'হাগ একতাৰ এনাজৰী....

# অভিনন্দন

# অনুৰণন




"মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ অনুৰণনৰ ৩৯ সংখ্যক (২০২২-২৩ বৰ্ষ) প্ৰকাশে নগাঁও তথা অসমৰ অগ্ৰণী অনুষ্ঠান 'উৎস মাতৃভাষা'ই 'বিশ্ব গ্ৰন্থ দিৱস-২০২৪' উপলক্ষে আয়োজন কৰা অসম ভিত্তিত মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰতিযোগিতাত অসমৰ ভিতৰতে তৃতীয় শ্ৰেষ্ঠ মহাবিদ্যালয় আলোচনীৰ খিতাপ অৰ্জন কৰে।"

দুলীয়াজান মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০২৩-২৪ বৰ্ষৰ দ্বাৰা প্ৰচাৰিত।